## এন জি জেলিয়াং

## আজু নিউমাই আৰু অন্যান্য দুজন

১৯৮০ চনৰ ৫ ছেপ্টেম্বৰ

[মূখ্য ন্যায়াধীশ ৱাই ভি চন্দ্ৰচুৰ,

ন্যায়াধীশ এছ মুৰ্টাজা ফাজাল আলী, ন্যায়াধীশ এ. ডি. কোশাল]

*লোক প্ৰতিনিধিত্ব অধিনিয়ম, ১৯৫১- ধাৰা ১২৩(৬)- পৰিসৰ- preponderance of probability(পূৰ্ব সম্ভাৱনাৰ প্ৰাধান্য)ৰ বিবেচনা- যদি দুৰ্নীতিৰ অভিযোগ প্ৰমাণ কৰিবলৈ যথেষ্ট হয়।*

১৯৭৭চনৰ ৰাজ্যিক বিধানসভাৰ নিৰ্বাচনত আপীলকাৰীক নিৰ্বাচিত ৰূপে ঘোষণা কৰা হৈছিল। নিৰ্বাচন বিষয়ক আবেদনকাৰী, যি এজন পৰাজিত প্ৰাৰ্থী আছিল, তেওঁ আবেদনত অভিযোগ কৰিছিল যে, আপীলকাৰীয়ে খৰচৰ মিছা খতিয়ান দাখিল কৰিছে, যাৰ দ্বাৰা লোক প্ৰতিনিধিত্ব অধিনিয়ম, ১৯৫১-ৰ ধাৰা ১২৩(৬)-ৰ দ্বাৰা দুৰ্নীতি সংঘটিত কৰা হৈছিল। এই অভিযোগ গ্ৰহণ কৰি উচ্চ ন্যায়ালয়ে নিৰ্বাচন বাতিল কৰিছিল।

আপীলৰ অনুমতি দিয়া হৈছে:

**উপস্থাপন কৰে:** (১) উচ্চ ন্যায়ালয়ে আপীলকাৰীৰ বিৰুদ্ধে উত্থাপিত দুৰ্নীতি প্ৰক্ৰিয়াৰ অভিযোগ প্ৰমাণ কৰিবলৈ আইনী আৰু গ্ৰহণযোগ্য প্ৰতিকাৰ আছিল নেকি সেইটো নিৰ্ণয় কৰিবলৈ কোনো প্ৰচেষ্টা কৰা নাই। এইটো এক প্ৰতিষ্ঠিত নীতি যে, আইনখনৰ ১২৩নং ধাৰাৰ অধীনত অভিযোগ এটা ফৌজদাৰী অপৰাধৰ অভিযোগৰ দৰে স্পষ্ট আৰু দৃঢ় প্ৰমাণৰ দ্বাৰা প্ৰমাণ কৰিব লাগিব। আদালতে এই ৰায় দিব নোৱাৰে যে, দুৰ্নীতি প্ৰক্ৰিয়াৰ অভিযোগ কেৱল preponderance of

probability(পূৰ্ব সম্ভাৱনাৰ প্ৰাধান্য)ৰ ওপৰত ভিত্তি কৰি প্ৰমাণ কৰা হয় কিন্তু, সন্তুষ্ট হ'ব লাগিব যে, অভিযোগটো beyond reasonable doubt(যুক্তিসংগত সন্দেহ)ৰ বাহিৰত প্ৰমাণ কৰিবলৈ প্ৰমাণ বিদ্যমান। [৬৩৫ বি-ডি]

*কে.এম.মণি বনাম পি.এল.এণ্টনি আৰু অন্যান্য* [১৯৭৯] ১ এছ.চি.আৰ. ৭০১ উল্লেখ কৰা হৈছে।

(i) গোচৰটোত আপীলকাৰীৰ টেক্সিৰ প্ৰকৃত ভাড়াৰ বিষয়ত ব্যক্তিগত কোনো অনুমান নাছিল আৰু আনৰ উক্তি- তেওঁৰ ধাৰণাৰ উৎস আছিল। কিন্তু আবেদনকাৰীয়ে দিয়া সাক্ষ্য, আইনৰ মানদণ্ড চুব পৰা নাছিল। (৬৩৬ দি, ৬৭৩ ই)

(ii) আবেদনকাৰীয়ে ব্যক্ত কৰিছিল যে, তেওঁ নিৰ্বাচন প্ৰক্ৰিয়াৰ এখন পঞ্জী ৰাখিছিল। তথাপিও সেইখন তেওঁ আদালতত প্ৰদৰ্শন কৰা নাছিল, সেয়েহে এক স্বাভাৱিক ধাৰণাৰ উদয় হয় যে, যদি তেওঁ পঞ্জীখন প্ৰদৰ্শন কৰিলেহেঁতেন, তেন্তে সেইখন তেওঁৰ গোচৰৰ বিৰুদ্ধে গ'লেহেঁতেন। [৬৩৭ জি-এইচ]

(২) দুৰ্নীতিপূৰ্ণ কাৰ্য্য fraud(প্ৰতাৰণা)ৰ প্ৰকৃতিৰ হোৱাৰ বাবে,  এক প্ৰকাৰৰ প্ৰৱঞ্চনা বা এক প্ৰকাৰৰ দুৰ্নীতিৰ প্ৰক্ৰিয়াৰ বাবে আবেদন কৰা আৰু অন্যথা প্ৰমাণ কৰাটো অনুমোদিত নহয় যদিও, সেইবোৰ সংলগ্ন হ’ব পাৰে। উচ্চ ন্যায়ালয়ে সঠিকভাৱে বিচাৰি পাইছে যে, আবেদনকাৰীয়ে যুক্তি দিছিল যে, আপীলকাৰীয়ে এটা ভোজ দিছিল, য’ত তেওঁ নিজৰ ভোটাৰসকলক আমন্ত্ৰণ কৰিছিল আৰু তেওঁলোকক ভোট দিবলৈ আহ্বান জনাইছিল। কিন্তু, প্ৰমাণবোৰে দেখুৱায় যে, আপীলকাৰীয়ে ভোজ অনুষ্ঠিত কৰা নাছিল, তেওঁৰ এজন এজেণ্টে আয়োজন কৰিছিল- য'ত আপীলকাৰী

উপস্থিত আছিল আৰু সেয়েহে, আপীলকাৰীৰ দ্বাৰা ভোজ দিছিল বুলি প্ৰমাণ কৰিব নোৱাৰি। [৬৩৮ জি- ৬৩৯ এ]

দেৱানী আপীল ক্ষেত্ৰাধিকাৰ- দেৱানী আপীল নং **১৬৭৯- ১৯৭৯।**

গৌহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্বাচনী আবেদন নং ৭/৭৮-ত **১৫-০৫-১৯৭৯**তাৰিখৰ ৰায় আৰু আদেশৰ পৰা।

আবেদনকাৰীপক্ষত এচ.এচ. ৰায়, এন.আৰ. চৌধুৰী আৰু পাৰিজাথ সিনহা।

উত্তৰদাতা নং **১**-ৰ পক্ষত আৰ. কৰণজাৱালা আৰু পি.এইছ. পাৰেখ।

আদালতৰ ৰায় প্ৰদান কৰিছিল

**ন্যায়াধীশ ফজল আলি**- এই নিৰ্বাচনী আবেদনখন গৌহাটী উচ্চ ন্যায়ালয়ৰ **১৯৭৯**ৰ **১৫**মে' তাৰিখৰ এটা ৰায়ৰ বিৰুদ্ধে নিৰ্দেশিত কৰা হৈছিল, যাৰ দ্বাৰা উচ্চ ন্যায়ালয়ে আবেদনকাৰী অজু নিউমাইৰ দ্বাৰা দাখিল কৰা নিৰ্বাচনী আবেদন গ্ৰহণ কৰিছিল আৰু নাগালেণ্ড ৰাজ্যৰ ৬নং টেনিং বিধানসভা সমষ্টিৰ পৰা নিৰ্বাচিত বুলি ঘোষণা কৰা আপীলকাৰী এন. চি. জেলিয়াঙৰ নিৰ্বাচন বাতিল কৰিছিল। সংক্ষেপে, উত্তৰদাতা নং **১** অৰ্থাৎ উচ্চ ন্যায়ালয়ৰ নিৰ্বাচনী আবেদনকাৰীক আগলৈ 'আবেদনকাৰী' আৰু নিৰ্বাচনত জয়ী হোৱা এন.চি. জেলিয়াঙক 'আপীলকাৰী' হিচাপে উল্লেখ কৰা হ'ব।

**১৯৭৭**চনত নিৰ্বাচন অনুষ্ঠিত হৈছিল আৰু আবেদনকাৰী, আপীলকাৰী আৰু অন্যান্যসকলে প্ৰতিদ্বন্দ্বিতা কৰিছিল। আপীলকাৰীয়ে 'গৰু আৰু এটা পোৱালি'ৰ প্ৰতীকৰ সৈতে কংগ্ৰেছৰ প্ৰাৰ্থী হিচাপে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছিল। আনহাতে, আবেদনকাৰীয়ে ইউনাইটেড ডেম'ক্ৰেটিক ফ্ৰণ্ট (ইউ. ডি. এফ.)ৰ টিকেটত প্ৰতিদ্বন্দ্বিতা কৰিছিল, যাৰ নিৰ্বাচনী প্ৰতীক আছিল 'কুকুৰা'। আন প্ৰাৰ্থী আছিল- জাংখোছেই আৰু

পাওখোলুন। অৱশ্যে, এই প্ৰাৰ্থীদুজন আমাৰ আলোচনাৰ বিষয় নহয়। এনে লাগিছে যে, আপীলকাৰীয়ে আবেদনকাৰীয়ে পোৱা ২২০৭টা ভোটৰ বিপৰীতে ২২২৪টা ভোট লাভ কৰিছিল আৰু এনেদৰে আবেদনকাৰীক ১৭টা ভোটৰ ব্যৱধানত পৰাস্ত কৰিছিল, যিটো সমষ্টিৰ মুঠ ভোট আছিল মাত্ৰ- ৫,০০০। ভোটদান ১৮-১১-১৯৭৭ত হৈছিল আৰু মনোনয়ন পত্ৰ দাখিলৰ অন্তিম তাৰিখ আছিল ২৪-১০-১৯৭৭।

আপীলকাৰীৰ বিধানসভালৈ নিৰ্বাচিত হোৱাৰ ঘোষণাত ক্ষুব্ধ হৈ আবেদনকাৰীয়ে উচ্চ ন্যায়ালয়ত ০৫-০১-১৯৭৮ত নিৰ্বাচনী আবেদন দাখিল কৰি নিৰ্বাচনক প্ৰত্যাহ্বান জনাইছিল, আপীলকাৰীয়ে ব্যয়ৰ মিছা ৰিটাৰ্ণ দাখিল কৰিছিল আৰু সংশ্লিষ্ট কৰ্তৃপক্ষই নিৰ্ধাৰণ কৰাতকৈ বহু বেছি ব্যয় কৰিছিল বুলি অভিযোগকে ধৰি কেইবাটাও কাৰণত আবেদন দাখিল কৰিছিল। আবেদনকাৰীয়ে নিৰ্বাচনৰ সময়ত আপীলকাৰীয়ে কৰা আন কেইবাটাও দুৰ্নীতিপূৰ্ণ কাৰ্যৰ অভিযোগো উত্থাপন কৰিছিল।

আপীলকাৰীয়ে তেওঁৰ লিখিত বিবৃতিত আবেদনকাৰীয়ে কৰা অভিযোগসমূহ দৃঢ়ভাৱে অস্বীকাৰ কৰিছিল আৰু দাখিল কৰিছিল যে, তেওঁ কোনো দুৰ্নীতি কৰা নাছিল আৰু তেওঁ জিলা নিৰ্বাচন বিষয়াৰ ওচৰত দাখিল কৰা ৰিটাৰ্ণ সম্পূৰ্ণৰূপে শুদ্ধ আছিল আৰু তেওঁৰ দ্বাৰা কৰা ব্যয় অনুমোদিত সীমাতকৈ বহু কম আছিল।

উচ্চ ন্যায়ালয়ৰ দ্বাৰা বহুল সংখ্যক issues(বিষয়) গঠন কৰা হৈছিল কিন্তু, কেৱল এটা বিষয়ৰ ওপৰত নিৰ্বাচনী প্ৰস্তাৱ গ্ৰহণ কৰা দেখা যায়, অৰ্থাৎ ৪নং বিষয়- অনুমোদিত সীমা অতিক্ৰম কৰা ব্যয় কৰাৰ ক্ষেত্ৰত লোক প্ৰতিনিধিত্ব অধিনিয়ম(পিছলৈ 'আইন' বুলি উল্লেখ কৰা হৈছে)ৰ ধাৰা নং ১২৩(৬)ৰ দ্বাৰা বিবেচনা কৰা দুৰ্নীতিৰ

সৈতে সম্পৰ্কিত, যি আইনৰ ধাৰা ৭৭ৰ উলংঘনৰ সমান। আবেদনকাৰীজনে কৰা আন অভিযোগবোৰ উচ্চ ন্যায়ালয়ে প্ৰমাণিত নোহোৱা বুলি কয়।

এই গোচৰটোত দৃঢ়তা আৰু বুদ্ধিসম্পন্ন যুক্তি প্ৰদৰ্শন কৰা আবেদনকাৰীৰ বিদ্বান পৰামৰ্শদাতাই ৪ আৰু ৫নং বিষয়ৰ বাহিৰে আদালতৰ দ্বাৰা প্ৰস্তুত কৰা আন কোনো বিষয়ত আবেদনকাৰীয়ে কৰা অভিযোগক সমৰ্থন কৰিবলৈ অক্ষম হৈছিল। যিহেতু তাৎক্ষণিক গোচৰটোৰ গুৰুত্বপূৰ্ণ বিতৰ্ক ৪নং বিষয়ৰ ওপৰত নিৰ্ভৰ কৰে, আমি প্ৰথমে এই বিষয়ত উচ্চ ন্যায়ালয়ৰ সিদ্ধান্ত গ্ৰহণ কৰিব বিচাৰো। উচ্চ ন্যায়ালয়ে প্ৰস্তুত কৰা ৪নং বিষয়টো তলত উল্লেখ কৰা ধৰণে আহৰণ কৰিব পাৰিঃ -

> "দফা নং১০, ১১ ভিত্তি (II)ত অভিযোগ কৰা অনুসৰি উক্ত আইনৰ ধাৰা ৭৭ৰ উলংঘন কৰি অনুমোদিত পৰিমাণতকৈ অধিক ব্যয় কৰা বা অনুমোদন কৰাৰ ক্ষেত্ৰত ১৯৫১চনৰ লোক প্ৰতিনিধিত্ব অধিনিয়মৰ ১২৩(৬)নং ধাৰাৰ অধীনত সংজ্ঞায়িত কৰা অনুসৰি উত্তৰদাতা নং১-এ দুৰ্নীতিপূৰ্ণ কাৰ্য্য কৰিছিল নেকি?
>
> যদি এনেকুৱা হয়, তেন্তে উত্তৰদাতা নং ১ৰ নিৰ্বাচন একাষৰীয়া কৰিব লাগিব নেকি?"

এই বিষয়টো আবেদনকাৰীয়ে আবেদনৰ দফা ১০ আৰু ভিত্তি নং II লগতে আবেদনৰ অনুসূচী বি.-ত আধাৰিত আছিল আৰু এই বিষয়টো সন্দৰ্ভত আবেদনকাৰীয়ে কৰা অভিযোগবোৰ বিচাৰি উলিওৱাটো প্ৰয়োজনীয় হ'ব পাৰে। ১০নং অনুচ্ছেদটো এটা সাৰ্বজনীন বিবৃতি যেন লাগে য'ত, অনাধিকাৰী ব্যয়ৰ প্ৰশ্নকে ধৰি কেইবাটাও ভিত্তি আছে যাৰ বাবে আমি বৰ্তমান চিন্তিত আৰু এইবিষয়ত এনেদৰে ক'ব পাৰিঃ

“আবেদনকাৰীয়ে এইকথাও উল্লেখ কৰিছে আৰু দাবী কৰিছে যে, উত্তৰদাতা নং ১ৰ নিৰ্ব্বাচন বাতিল বুলি ঘোষণা কৰা হ'ব কাৰণ, তেওঁ কেইবাটাও দুৰ্নীতিপূৰ্ণ কাৰ্য্য কৰিছিল, যেনে- (১) আইনৰ ধাৰা ১২৩ৰ উপধাৰা (৬)ত সংজ্ঞায়িত দুৰ্নীতিপূৰ্ণ কাৰ্য, অৰ্থাৎ আইনৰ ধাৰা ৭৭ৰ উলংঘন কৰি ব্যয় কৰা বা অনুমোদিত কৰা; (২) আইনৰ ধাৰা ১২৩ৰ উপধাৰা (১)ত সংজ্ঞায়িত উৎকোচৰ দুৰ্নীতিপূৰ্ণ কাৰ্য; (৩) আইনৰ ধাৰা ১২৩(৫)ত নিৰ্ধাৰিত নিৰ্দিষ্ট বিধানসভা সমষ্টিৰ ভিতৰত ভোটাৰসকলৰ বিনামূলীয়া পৰিবহণৰ বাবে বাহন ভাড়া বা ক্ৰয় কৰাৰ দুৰ্নীতিপূৰ্ণ কাৰ্য। এই দুৰ্নীতিপূৰ্ণ কাৰ্যসমূহৰ প্ৰাসংগিক তথ্য আৰু সবিশেষ তলত উল্লেখ কৰা হৈছে।"

ভিত্তি নং II তলত উল্লেখ কৰা ধৰণে আহৰণ কৰিব পাৰিঃ

"ইয়াৰ বাবে আইনৰ ৭৭নং ধাৰাৰ উলংঘনত ব্যয় ঠিৰাং কৰা বা অনুমোদন জনোৱাৰ ক্ষেত্ৰত উত্তৰদাতা নং ১-এ আইনৰ ১২৩নং ধাৰাৰ উপধাৰা(৬)ত উল্লেখ কৰা অনুসৰি দুৰ্নীতি কৰিছিল।"

'ভিত্তি নং II'-ত কৰা অভিযোগৰ সৈতে সম্পৰ্কিত সবিশেষ আবেদনখন অনুসূচী নং II-ত অন্তৰ্ভুক্ত কৰা হৈছে, যাৰ প্ৰাসংগিক অংশটো এনেদৰে প্ৰয়োগ কৰিব পাৰিঃ-

"বি-১. নিৰ্বাচনী ব্যয় ঘূৰাই দিয়াৰ ক্ষেত্ৰত, ১ নং উত্তৰদাতাই মুঠ ব্যয় ঘূৰাই দিছিল- ১৩২৩.৬৯টকা।

........ ................ ..................

বি-৩. এই বাহনসমূহৰ বাবে আৰু আনুষঙ্গিক সামগ্ৰী ক্ৰয় কৰাৰ বাবে ব্যৱহৃত বাহন আৰু পেট্ৰ'ল- ম'বিল তেলৰ ভাৰা মাচুলৰ সৈতে সম্পৰ্কিত ব্যয়ঃ-

(i) উত্তৰদাতাই ডিমাপুৰৰ ৰিলুবোৰ পৰা এন.এল.কে. ৪৩০৮ নং জীপ ভাড়া কৰিছিল আৰু চালকৰ খৰচকে ধৰি ৩,০০০টকা ভাড়া মাচুল পৰিশোধ কৰিছিল।

(ii) ০৩-১১-১৯৭৭ত ১নং উত্তৰদাতাই উপৰোক্ত বাহন নং এন.এল.কে. ৪৩০৮ বাবে ডিমাপুৰৰ মোতিলাল ডুঙ্গাৰমাল প্ৰতিষ্ঠানৰ পৰা ৭২০টকা মূল্যৰ দুটা টায়াৰ আৰু ডিমাপুৰৰ বাকলিৱাল আৰু গেংৱাল প্ৰতিষ্ঠানৰ পৰা এটা এক্সাইড বেটাৰী ৫৪০টকাত ক্ৰয় কৰিছিল।

(iii) ২৮-১০-১৯৭৭ত উত্তৰদাতাই ডিমাপুৰৰ পুলচান্দ ত্ৰিলোকচান্দৰ প্ৰতিষ্ঠানৰ পৰা ভাউচাৰ নং ২৭০৮০০-ৰ অধীনত নিৰ্বাচনৰ উদ্দেশ্যে ব্যৱহাৰ কৰা বাহন নং এন.এল.কে. ৬২৮৪ৰ বাবে উত্তৰদাতাই ২৪০টকা মূল্যৰ পেট্ৰ'ল ক্ৰয় কৰিছিল।"

আমি লগতে উল্লেখ কৰিছোঁ যে, আবেদনকাৰীৰ সকলো অভিযোগ আপীলকাৰীয়ে দৃঢ়ভাৱে অস্বীকাৰ কৰিছিল।

সেয়েহে, আবেদনকাৰীয়ে এতিয়ালৈকে ৪নং বিষয়ৰ সন্দৰ্ভত আপীলকাৰীৰ বিৰুদ্ধে কৰা অভিযোগৰ গুৰুত্বপূৰ্ণ দিশটো আছিল, যদিও তেওঁ জিলা নিৰ্বাচন বিষয়াৰ আগত দাখিল কৰা ৰিটাৰ্ণত মুঠ ব্যয় ১৩২৩.৬৯টকা বুলি প্ৰকাশ কৰিছিল, তথাপিও, আবেদনখনৰ ওপৰত উল্লেখ কৰা অনুসূচী বি-ৰ একেটা অনুচ্ছেদ বি-৩ (i), (ii) আৰু (iii)তকৈ বহু বেছি ব্যয় কৰিছিল, য'ত প্ৰকাশ পাই যে, আপীলকাৰীয়ে মুঠ ব্যয় ৩৯৬০টকা কৰিছিল। আবেদনকাৰীয়ে কইয়ে, নিৰ্বাচনী প্ৰচাৰৰ উদ্দেশ্যেত ব্যৱহাৰৰ বাবে জীপ ভাড়া আৰু জীপ এন.এল.কে. ৪৩০৮-ৰ টায়াৰ আৰু অন্যান্য আনুষঙ্গিক সামগ্ৰী ক্ৰয় কৰাৰ বাবে এই খৰচবোৰ কৰা হৈছিল। অনুমোদিত সীমা ২,৫০০টকা

হোৱাত আবেদনকাৰীৰ মতে ১,৪৬০টকাত ব্যয়ৰ সীমা অতিক্ৰম কৰিছিল। আবেদনকাৰীয়ে লগতে কৈছিল যে, জীপ নং এন.এল.কে. ৪৩০৮-ক আবেদনকাৰীয়ে ডিমাপুৰৰ উইলুবো নামৰ এজন লোকৰ পৰা ভাড়া কৰিছিল, যাক ৩,০০০টকাৰ মাচুল দিয়া হৈছিল। আমি ইয়াত উল্লেখ কৰিব পাৰো যে, উচ্চ ন্যায়ালয়ৰ অনুসন্ধান অনুসৰি, আপীলকাৰীয়ে নিজেই তেওঁৰ প্ৰমাণত স্বীকাৰ কৰিছে যে, টায়াৰ আৰু বেটাৰী ক্ৰয় কৰাৰ বাবে ব্যয় কৰা টকা(৭২০টকা আৰু ৫৪০টকা) ৩,০০০টকাৰ ভিতৰত অন্তৰ্ভুক্ত কৰা হৈছিল; বাকীখিনি হৈছে ভাড়াৰ মাচুল। সেয়েহে আবেদনকাৰীয়ে দাবী কৰিছিল যে, আপীলকাৰীয়ে নিৰ্বাচনত ব্যয় কৰা খৰচ কমেও ৫০০টকা, যি সত্য তেওঁৰ মতে আদালতৰ সন্তুষ্টিৰ  প্ৰমাণ আছিল।

আমি উচ্চ ন্যায়ালয়ৰ ৰায় সাৱধানে পৰীক্ষা কৰিছো আৰু পাইছো যে,  উচ্চ ন্যায়ালয়ে আপীলকাৰীৰ বিৰুদ্ধে অভিযোগ কৰা দুৰ্নীতি প্ৰক্ৰিয়াটো প্ৰমাণ কৰিবলৈ কোনো আইনী আৰু গ্ৰহণযোগ্য প্ৰমাণ আছে নে নাই সেয়া নিৰ্ধাৰণ কৰিবলৈ কোনো প্ৰচেষ্টা কৰা নাই। এতিয়া এক গৰিষ্ঠ সংখ্যক কৰ্তৃপক্ষৰ দ্বাৰা এইটো ভালদৰে নিষ্পত্তি কৰা হৈছে যে, আইনৰ ধাৰা ১২৩ৰ অধীনত এক অভিযোগ ফৌজদাৰী অপৰাধৰ অভিযোগ হিচাপে স্পষ্ট আৰু দৃঢ় প্ৰমাণৰ দ্বাৰা প্ৰমাণিত হ'ব লাগিব। দুৰ্নীতিৰ অভিযোগ কেৱল পূৰ্ব সম্ভাৱনাৰ প্ৰাধান্যৰ ওপৰত প্ৰমাণিত হোৱাটো আদালতৰ বাবে গ্ৰহনযোগ্য নহয়, কিন্তু অভিযোগটো যুক্তিসংগত সন্দেহৰ আওতাৰ বাহিৰত প্ৰমাণ কৰিবলৈ প্ৰমাণ আছে বুলি সন্তুষ্ট হ'ব পাৰিব লাগিব। এই দেশত নিৰ্বাচনী প্ৰক্ৰিয়া অত্যন্ত ব্যয়বহুল আৰু 'এজন প্ৰাৰ্থীৰ নিৰ্বাচন বাতিল' বুলি ঘোষণা কৰিলে সমগ্ৰ প্ৰক্ৰিয়াটো অস্তিত্বহীন হৈ পৰে, যাৰ ফলত পুনৰ নিৰ্বাচন হয়। সেয়েহে, দুৰ্নীতিৰ

অভিযোগ চূড়ান্তভাৱে প্ৰমাণিত হ'লেহে, এনে পদ্ধতি গ্ৰহণ কৰা উচিত। *কে. এম. মণি বনাম পি. জে. এণ্টনী আৰু অন্যান্য* ([1]), এই আদালতে বৃহৎ সংখ্যক গোচৰৰ কথা উল্লেখ কৰি তলত দিয়া ধৰণে মন্তব্য কৰিছেঃ-

"নিৰ্বাচনত দুৰ্নীতিপূৰ্ণ প্ৰক্ৰিয়া চলোৱা অভিযোগ কেৱল প্ৰাৰ্থীৰ বাবেই নহয়, জনসাধাৰণৰ বাবেও অতি গুৰুতৰ কাৰণ, ই নিৰ্বাচনী প্ৰক্ৰিয়াৰ বিশুদ্ধতাৰ সৈতে সম্পৰ্কিত।

....... ............. ...........

সেই দৃষ্টিভংগী গ্ৰহণ কৰি বিচাৰ আদালতে এই প্ৰয়োজনীয়তাৰ প্ৰতি দৃষ্টি হেৰুৱাই পেলাইছিল যে, 'দুৰ্নীতিপূৰ্ণ কাৰ্য্য'ৰ সৈতে সম্পৰ্কিত অভিযোগ এক quasi criminal proceeding(অৰ্ধ অপৰাধমূলক কাৰ্য্য)ৰ প্ৰকৃতিৰ, যি যুক্তিসঙ্গত সন্দেহৰ আওতাৰ বাহিৰত প্ৰতিষ্ঠা কৰিব লাগিব আৰু কেৱল পূৰ্ব সম্ভাৱনাৰ প্ৰাধান্যৰ দ্বাৰা নহয়।

....... .............. ...........

*মোহন সিঙৰ গোচৰত* (এ. আই. আৰ. ১৯৬৪ এছ. চি. ১৩৬৬) এইটো ধাৰণা কৰা হৈছে যে, এক দুৰ্নীতিপূৰ্ণ কাৰ্য্য প্ৰমাণ কৰাৰ দায়িত্ব দেৱানী গোচৰৰ ক্ষেত্ৰত কেৱল preponderance of probability(পূৰ্ব সম্ভাৱনাৰ প্ৰাধান্যৰ প্ৰমাণ)ত প্ৰমাণ কৰা নহয়, আৰু এইটো beyond reasonable doubt(যুক্তিসংগত সন্দেহৰ আওতা)ৰ বাহিৰত প্ৰমাণৰ দ্বাৰা প্ৰতিষ্ঠা কৰিব লাগিব, যি স্পষ্ট আৰু দ্ব্যৰ্থহীন হয়।

*বালকৃষ্ণ* (১৯৬৯) (৩এছ.চি.আৰ.৬০৩)ত এইটো ধাৰণা কৰা হৈছে যে, যদিও circumstantial evidence(পৰিস্থিতিগত প্ৰমাণ)-

[1] (১)[১৯৭৯] ১ এচ.চি.আৰ. ৭০১

> এ সন্মতিৰ অনুমান কৰিব পাৰি, পৰিস্থিতিবোৰে সিদ্ধান্তলৈ নিৰপেক্ষভাৱে আঙুলিয়াই দিব লাগিব আৰু আন কোনো ব্যাখ্যা স্বীকাৰ কৰিব নালাগিব, কাৰণ এটা দুৰ্নীতিপূৰ্ণ কাৰ্য্য ফৌজদাৰী অভিযোগৰ দৰেই প্ৰমাণিত হ'ব লাগে। সেয়েহে নিৰ্বাচনী আবেদনকাৰীয়ে Returned candidate(প্ৰত্যাৱৰ্তন কৰা প্ৰাৰ্থী)ক বা তেওঁৰ নিৰ্বাচনী এজেণ্টৰ অপৰাধৰ বাহিৰে প্ৰতিটো সম্ভাৱনা বাদ দিব লাগিব, আৰু বিচাৰ আদালতে কেৱল সম্ভাৱনাৰ ওপৰত ভিত্তি কৰি ইয়াৰ সিদ্ধান্তত ভুল কৰিছিল।"

এই বিষয়ত কৰ্তৃপক্ষৰ সংখ্যা বহুগুণে বৃদ্ধি কৰাৰ প্ৰয়োজন নাই কাৰণ, বিষয়টোত আইন সম্পূৰ্ণৰূপে স্ফটিকায়িত কৰা হৈছে।

বাদী নং ১ হিচাপে পৰীক্ষা কৰা আবেদনকাৰীয়ে তেওঁৰ প্ৰমাণত স্পষ্টভাৱে উল্লেখ কৰিছে যে, তেওঁক ৰিলুবো-এ কৈছিল যে, আবেদনকাৰীয়ে জীপ নং এন.এল.কে. ৪৩০৮, ৩,০০০টকা এককালীন ভাড়া মাচুলত লৈছিল। সাক্ষীজনে লগতে স্বীকাৰ কৰিছিল যে, ৰিলুবো তেওঁৰ ডাঙৰ ভায়েকৰ পত্নীৰ ভাতৃ হোৱাৰ বাবে তেওঁৰ সম্পৰ্কীয় আছিল আৰু ডিমাপুৰত থাকিছিল। সেয়েহে, আবেদনকাৰী গৰাকীৰ ব্যক্তিগত জ্ঞান নাছিল যে, ৰিলুবোক আপীলকাৰীয়ে প্ৰদান কৰা প্ৰকৃত নিয়োগ মাচুলৰ বিষয়ত আৰু তেওঁৰ তথ্যৰ উৎস ৰিলুবোৰ পৰা যি শুনিছিল তাৰ ওপৰত আধাৰিত। অৱশ্যে, আবেদনকাৰীৰ বাবে সাক্ষী হিচাপে পৰীক্ষা কৰা ৰিলুবোৱে এই অভিযোগবোৰ অস্বীকাৰ কৰিছে আৰু আবেদনকাৰীক কোৱাৰ কথাও অস্বীকাৰ কৰিছে যে, তেওঁৰ জীপখন আপীলকাৰীয়ে ভাড়া কৰিছিল, যি ৩,০০০টকাতকৈ বহুত কম আছিল।

আবেদনকাৰীৰ হৈ হাজিৰ হোৱা শ্ৰীযুত কৰঞ্জাৱালাই তীব্ৰভাৱে মত প্ৰকাশ কৰিছিল যে, ৰিলুবোক তেওঁৰ সাক্ষী হিচাপে আপীলকাৰীয়ে যি ধৰণে পৰীক্ষা কৰিছিল বুলি কোৱাৰ পৰা দেখা যায় যে, তেওঁ সঁচা কথা কোৱা নাছিল। এইটো উল্লেখ কৰা হৈছিল যে, আৰম্ভণিতে ৰিলুবোক আবেদনকাৰীৰ সাক্ষী হিচাপে উল্লেখ কৰা হৈছিল আৰু ৰিলুবোক চমন জাৰি কৰা হৈছিল কিন্তু, তেওঁ আদেশ অমান্য কৰিছিল আৰু অৱশেষত ৱাৰেণ্ট জাৰি কৰিবলগীয়া হৈছিল যেতিয়া, আপীলকাৰীৰ পৰামৰ্শদাতাই আদালতত অৱগত কৰিছিল যে, ৰিলুবোক আপীলকাৰীৰ সাক্ষী হিচাপে পৰীক্ষা কৰা হ'ব। কেছমেমোৰ প্ৰতিও আমাৰ দৃষ্টি আকৰ্ষণ কৰা হৈছিল, যি দেখুৱায় যে ৭২০টকা মূল্যৰ টায়াৰ আৰু ৫৪০টকা মূল্যৰ বেটাৰী ক্ৰয় কৰা হৈছিল। আনকি গোচৰটোৰ এই অংশটো গ্ৰহণ কৰি দেখুওৱা হৈছে যে, এতিয়ালৈকে জীপ নং এন.এল.কে. ৪৩০৮-ৰ ক্ষেত্ৰত ১২৬০টকা ব্যয় কৰা হৈছিল। কিন্তু আবেদনকাৰীয়ে আপীলকাৰীৰ বিৰুদ্ধে উত্থাপন কৰা অভিযোগসমূহ প্ৰমাণ কৰিবলৈ এই তথ্য যথেষ্ট নাছিল। আবেদনকাৰীয়ে আদালতৰ সন্তুষ্টিৰ বাবে এইটো দেখুৱাব লাগিছিল যে, ৰিলুবোৱে ৩,০০০টকা বা সম পৰিমানৰ আপীলকাৰীৰ পৰা নিযুক্তি মাচুল আদায় কৰিছিল। আবেদনকাৰীৰ পৰা ৩,০০০টকা বা প্ৰায় এই পৰিমাণৰ ধন বিচাৰিছিল আৰু তেওঁ নিজেই টায়াৰ আৰু বেটাৰি ক্ৰয় কৰিছিল। ৰিলুবোৱে এই অভিযোগ অস্বীকাৰ কৰিছিল, এই বিষয়ত আবেদনকাৰীৰ প্ৰমাণ সম্পূৰ্ণৰূপে শুনা কথা আৰু সেয়েহে, প্ৰমাণত অগ্ৰহণযোগ্য। অৱশ্যে, শ্ৰী কৰঞ্জাৱালাই যুক্তি দেখুৱাইছিল যে, আবেদনকাৰীয়ে দাখিল কৰা সাক্ষীসকলৰ প্ৰমাণৰ পৰা এইটো প্ৰমাণিত হ'ব যে, জীপ নং ৪৩০৮ বহুদিনৰ পৰা মুকলিভাৱে ব্যৱহাৰ কৰা হৈছিল, সেয়েহে এই কথা সুৰক্ষিতভাৱে অনুমান কৰিব পাৰি

যে, জীপৰ মাচুল ৩,০০০ টকাৰ ভিতৰত হ'ব লাগিব। প্ৰথমতে, আবেদনকাৰীয়ে পৰীক্ষা কৰা কোনো সাক্ষীৰ ক্ষেত্ৰত জীপখন ব্যৱহাৰ কৰাৰ সঠিক সময় বা কিমান দূৰত্ব অতিক্ৰম কৰিছিল সেয়া দেখুৱাবলৈ কোনো স্পষ্ট প্ৰমাণ নাই বা অনুৰূপ প্ৰমাণ কৰিবলৈ একো নাই যে, আবেদনকাৰীয়ে ৰিলুবোক নিযুক্তিৰ মাচুল হিচাপে ৩,০০০টকা পৰিশোধ কৰিছিল। প্ৰমাণবোৰে কেৱল দেখুৱায় যে, জীপখন নিৰ্বাচনৰ দিনা, বা তাৰ এদিন পিছত বা এদিন আগতে ব্যৱহাৰ কৰা হৈছিল। আবেদনকাৰীয়ে জীপ ব্যৱহাৰ কৰিছিল বুলি কোৱা অঞ্চলসমূহত জীপ বা গাড়ীৰ বাবে ভাড়া মাচুল কিমান আছিল সেয়া দেখুৱাবলৈ কোনো প্ৰমাণ নাই। অৱশ্যে, শ্ৰী কৰঞ্জাৱালাৰ দ্বাৰা উপস্থাপন কৰে যে, যিহেতু ৰিলুবো এজন কম উপাৰ্জনৰ মানুহ যেন লাগে, সেয়েহে অনুমান কৰিব লাগিব যে, তেওঁ আবেদনকাৰীক জীপখন ভাড়াত দি যথেষ্ট ধন উপাৰ্জন কৰিছিল। এইটোও এক বিশুদ্ধ অনুমান আৰু আপীলকাৰীক ক্ষমতাচ্যুত কৰাৰ বাবে প্ৰয়োগ কৰিব নোৱাৰি যিটো কেৱল তেতিয়াহে কৰিব পাৰি যদিহে প্ৰমাণ, ই পৰিস্থিতিগত প্ৰমাণৰে গঠিত হ'লেও স্পষ্ট আৰু নিৰ্ণায়ক হ'ব লাগিব। আমি বাদী নং ১, ৫, ৬, ১৩ আৰু ২০-ৰ সাক্ষ্য লৈছো। কিন্তু, এই সাক্ষীসকলৰ কোনেও আমাক সংশ্লিষ্ট অঞ্চলসমূহত বিদ্যমান ভাড়াৰ হাৰৰ বিষয়ে কোনো ধাৰণা নিদিয়ে, যি আপীলকাৰীয়ে ৰিলুবোক জীপৰ বাবে পৰিশোধ কৰিব পাৰিছিল। আবেদনকাৰীৰ প্ৰমাণ আইনৰ মানদণ্ডতকৈ বহু কম।

আবেদনকাৰীৰ গোচৰটোৰ বিৰুদ্ধে আন এক শক্তিশালী যুক্তি আছিল এইয়ে যে, আবেদনকাৰীয়ে তেওঁৰ প্ৰমাণত স্বীকাৰ কৰিছে যে, তেওঁ নিৰ্বাচনী প্ৰচাৰৰ ডায়েৰী ৰাখিছিল কিন্তু, তেওঁ এই আবেদনৰ লগত সেইখন জমা কৰা নাছিল এই যুক্তিত যে,

তেওঁ ডায়েৰীখন ক’ত ৰাখিছিল মনত নাই। এই সন্দৰ্ভত আবেদনকাৰীয়ে তলত দিয়া ধৰণে সাক্ষ্য প্ৰদান কৰিছেঃ

> "মই মোৰ নিৰ্বাচনী প্ৰচাৰৰ এখন ডায়েৰী ৰাখিছিলোঁ। ডায়েৰীখন অৱশ্যেই নিয়মিতভাৱে ব্যৱহাৰ কৰা হোৱা নাছিল। ডায়েৰীখন ক'ত ৰাখিছিলোঁ মোৰ মনত নাই। মই এইখন আদালতত দাখিল কৰা নাই।"

সেয়েহে এইটো স্পষ্ট যে, জীপখন কিমান দিন ব্যৱহাৰ কৰা হৈছিল বা কিমান দূৰত্বৰ বাবে ব্যৱহাৰ কৰা হৈছিল আৰু লগতে আপীলকাৰীয়ে ৰিলুবোক ভাড়াৰ মাচুল পৰিশোধ কৰিছিল সেয়া দেখুৱাবলৈ ডায়েৰীখনেই আটাইতকৈ ভাল প্ৰমাণ আছিল। আবেদনকাৰীয়ে ডায়েৰীখন জমা কৰা নাই আৰু যিখন আদালতত দাখিল কৰা নাই যাৰ পৰা এক স্বাভাৱিক অনুমান উত্থাপন হয় যে, যদি তেওঁ ডায়েৰীখন প্ৰস্তুত কৰে, তেন্তে ই তেওঁৰ গোচৰৰ বিৰুদ্ধে যাব। আনকি, আবেদনকাৰীৰ মতে এজন স্বতন্ত্ৰ সাক্ষী, বাদী নং ৬-য়ে কৈছিল যে, তেওঁ আপীলকাৰীয়ে জীপ ব্যৱহাৰ কৰিছিল বুলি জানিছিল, কিন্তু তেওঁ জীপখন কেতিয়া কিমান তাৰিখত ব্যৱহাৰ কৰা হৈছিল বা ই কিমান দূৰত্ব অতিক্ৰম কৰিছিল সেই কথা নাজানিছিল। অৱশ্যে, তেওঁ আৰু স্বীকাৰ কৰে যে, যদিও তেওঁ জীপখন দেখিছিল কিন্তু তাত তেওঁ আপীলকাৰী জেলিয়াঙক দেখা নাছিল। সেয়েহে, এইটোৱে তেওঁৰ অভিযোগক মিছা বুলি প্ৰমাণিত কৰে যে, আপীলকাৰীয়ে জীপখন ব্যৱহাৰ কৰিছিল। এই বিষয়ত আন সাক্ষীসকলৰ প্ৰমাণো আবেদনকাৰীৰ বাবে সহায়ক নহয় আৰু বাদী নং ৬ৰ প্ৰমাণতকৈ অধিক অস্পষ্ট। দৰাচলতে, আপীলকাৰীয়ে খোজকাঢ়িও তেওঁৰ সমষ্টিৰ বিভিন্ন স্থানলৈ গৈছিল বুলি

দেখুৱাবলৈ কিছুমান প্ৰমাণ আছে। এনে প্ৰমাণৰ অনুপস্থিতিত উচ্চ ন্যায়ালয়ে আবেদনকাৰীৰ এই অনুমান গ্ৰহণ নকৰিব যে, আপীলকাৰীয়ে জীপখনৰ বাবে ২,০০০টকাতকৈ অধিক ভাড়াৰ মাচুল বহন কৰিছে।

আপীলকাৰীয়ে টায়াৰ আৰু বেটাৰী ক্ৰয়ৰ ক্ষেত্ৰত ব্যয় কৰাৰ কথা অস্বীকাৰ কৰিছে কিন্তু, আবেদনকাৰীৰ গোচৰটো সৰোগত কৰি লগতে আবেদনকাৰীয়ে প্ৰস্তুত কৰা নগদ স্মাৰকৰ পৰা প্ৰমাণিত হোৱাৰ দৰে টায়াৰৰ বাবে ৭২০টকা আৰু বেটাৰিৰ বাবে ৫৪০টকা খৰচ কৰা হৈছিল, এইক্ষেত্ৰত আবেদনকাৰীয়ে নিজেই এই সামগ্ৰীসমূহৰ ব্যয় পূৰণ কৰিছিল আৰু সেইবোৰ তেওঁৰ নিৰ্বাচনী প্ৰচাৰৰ বাবে ব্যৱহাৰ কৰিছিল বুলি দেখুৱাবলৈ কোনো নিৰ্ভৰযোগ্য বা বিশ্বাসযোগ্য প্ৰমাণ নাই। সেয়েহে, ওপৰত উল্লেখ কৰা খৰচবোৰ বিচাৰত অন্তৰ্ভূক্ত জীপৰ সৈতে একেবাৰে সম্পৰ্কিত নহয়। এই পৰিস্থিতিত সেয়েহে, আমি স্পষ্টভাৱে মতপোষণ কৰোঁ যে, আবেদনকাৰীয়ে অভিযোগ কৰা দুৰ্নীতিৰ অনুশীলনক সমৰ্থন কৰাৰ বাবে কোনো আইনী প্ৰমাণ নাই যে, তেওঁ ২,৫০০ টকাতকৈ অধিক ব্যয় কৰিছিল আৰু এনেদৰে আবেদনকাৰীয়ে প্ৰমাণ কৰিবলৈ সক্ষম হোৱা নাই যে, জিলা নিৰ্বাচন বিষয়াৰ আগত আবেদনকাৰীয়ে দাখিল কৰা ব্যয়ৰ ৰিটাৰ্ণ ভুল বা সথিক নহয় আৰু অনুমোদিত সীমাতকৈ অধিক আছিল। সেয়েহে, এই বিষয়ত উচ্চ ন্যায়ালয়ৰ সিদ্ধান্তক সমৰ্থন কৰিব নোৱাৰি।

এই সমস্যাটো উপলব্ধি কৰি শ্ৰীযুত কৰঞ্জাৱালাই আবেদনকাৰীয়ে কৰা এটা অভিযোগৰ ভিত্তিত উচ্চ ন্যায়ালয়ে প্ৰস্তুত কৰা ৫নং বিষয়টোৰ ওপৰত জোৰ দিছিল। উচ্চ ন্যায়ালয়ে অৱশ্যে স্পষ্টভাৱে কয় যে, ৫নং বিষয়টোৰ বিষয়বস্তু গঠন কৰা অভিযোগটো আবেদনকাৰীয়ে একেবাৰে প্ৰমাণ কৰা নাই। শ্ৰীকৰঞ্জাৱালাই এই বিষয়ত

উচ্চ ন্যায়ালয়ৰ সিদ্ধান্তক বিৰোধ কৰিছিল আৰু আবেদনকাৰীয়ে এই অভিযোগ স্পষ্টভাৱে প্ৰমাণ কৰে বুলি দাখিল কৰিছিল। অৱশ্যে, এই বিষয়ত আবেদনকাৰীৰ অধিবক্তাৰ যুক্তি গ্ৰহণ কৰাত এক দুৰ্গম বাধা থকা দেখা গৈছে। এইটো ভালদৰে নিষ্পত্তি কৰা হৈছে যে, দুৰ্নীতিৰ অভিযোগটো আবেদনত আৰু অনুসূচীত দিয়া বিৱৰণত স্পষ্টভাৱে দাবী কৰিব লাগিব। দুৰ্নীতি প্ৰক্ৰিয়াটো প্ৰতাৰণাৰ প্ৰকৃতিৰ হোৱাৰ বাবে, এক প্ৰকাৰৰ প্ৰতাৰণা বা এক প্ৰকাৰৰ দুৰ্নীতি কৰা আৰু আনএক প্ৰকাৰৰ প্ৰমাণ কৰাটো অনুমোদিত নহয় যদিও, সেইবোৰ সংযুক্ত হ'ব পাৰে। উচ্চ ন্যায়ালয়ে সঠিকভাৱে বিচাৰি পাইছে যে, আবেদনকাৰীয়ে যুক্তি দিছিল যে আবেদনকাৰীয়ে নিজেই ভোজ অনুষ্ঠিত কৰিছিল, তেওঁৰ ভোটাৰসকলক আমন্ত্ৰণ জনাইছিল লগতে তেওঁলোকক তেওঁক ভোট দিবলৈ আহ্বান জনাইছিল, প্ৰমাণে দেখুৱাইছে যে, আপীলকাৰীয়ে ভোজৰ আয়োজন কৰা নাছিল কিন্তু, তেওঁৰ এজন এজেণ্টে আয়োজন কৰিছিল য'ত, আপীলকাৰী উপস্থিত আছিল আৰু সেয়েহে এইটো অনুমান কৰিব নোৱাৰি যে, আপীলকাৰীৰ ইচ্ছাত ভোজ অনুষ্ঠিত হৈছিল। উচ্চ ন্যায়ালয়ে কয় যে, দাবী কৰা অভিযোগটো প্ৰমাণৰ দ্বাৰা প্ৰমাণিত হোৱা নাছিল যি, প্ৰকৃততে অভিযোগ আনয়নৰ বিপৰীত আছিল আৰু সেয়েহে এনে দুৰ্নীতিপূৰ্ণ অনুশীলনৰ কোনো বিচাৰ ল’ব নোৱাৰি। উপযুক্ত সন্মানৰ সৈতে, আমি বিষয়টোৰ এই দিশত উচ্চ ন্যায়ালয়ে দিয়া কাৰণসমূহৰ সৈতে সম্পূৰ্ণ একমত। বিষয় নং৫-ত এইদৰে কোৱা হৈছে-

"আবেদনৰ দফা ১০, ১১(বিষয় নং III) আৰু অনুসূচী চি.-ত উল্লিখিত ১নং উত্তৰদাতাই লোক প্ৰতিনিধিত্ব অধিনিয়ম, ১৯৫১ৰ ধাৰা ১২৩(১)(এ)(বি)-ৰ অধীনত নিজকে বা তেওঁৰ এজেণ্টসকলৰ দ্বাৰা তেওঁৰ সন্মতি প্ৰদান কৰি নাগালেণ্ড বিধানসভাৰ

৬নং টেনিং বিধানসভা সমষ্টিৰ ভোটাৰসকলক ভোজৰ জৰিয়তে প্ৰত্যক্ষ বা পৰোক্ষভাৱে উত্তৰদাতা নম্বৰ ১-ক ভোট দিবলৈ প্ৰেৰিত কৰাৰ উদ্দেশ্যৰে সন্তুষ্টি প্ৰদান কৰি, সংজ্ঞায়িত উৎকোচৰ দুৰ্নীতিপূৰ্ণ অনুশীলন কৰিছিল নেকি?

যদি হয়, তেন্তে উত্তৰদাতা নং ১-ৰ নিৰ্ব্বাচন বাতিল কৰিব লাগিব নেকি?"

অনুসূচী চি-ত দিয়া বিৱৰণবোৰে দেখুৱায় যে, আপীলকাৰীয়ে ভোটাৰসকলক ২-১১-৭৭ আৰু ৩১-১০-৭৭ আৰু ১২-১১-৭৭-ত ভোজ দিছিল আৰু ভোটাৰসকলক অনুষ্ঠানত আতিথ্য দিয়াৰ বাবে এটা গাহৰি ক্ৰয় কৰিছিল। উত্থাপিত প্ৰমাণবোৰে অৱশ্যে দেখুৱায় যে, আপীলকাৰীয়ে কোনো ভোজৰ আয়োজন কৰা নাছিল কিন্তু, আন কোনো ব্যক্তিয়ে কৰিছিল যি আপীলকাৰী উপস্থিত থকাৰ সময়ত তেওঁৰ এজেণ্ট আছিল। সেয়েহে এইটো স্পষ্ট যে, অনুসূচী চি-ত আবেদনকাৰীয়ে অভিযোগ কৰা সঠিক দুৰ্নীতি প্ৰমাণিত হোৱা নাছিল কিন্তু, তেওঁ এই বিষয়ত নেতৃত্ব দিয়া প্ৰমাণৰ সৈতে পোনপটীয়াকৈ ভিন্ন আছিল। কেৱল এই ভিত্তিত, সেয়েহে, আবেদনকাৰীক ৫নং বিষয়ৰ ক্ষেত্ৰত আদালতৰ বাহিৰত ৰাখিব লাগিব। পক্ষসমূহৰ পৰামৰ্শদাতাই আমাৰ সন্মুখত আন কোনো বিষয় উত্থাপন কৰা নাছিল।

ওপৰত দিয়া কাৰণসমূহৰ বাবে, আমি সন্তুষ্ট যে আপীলকাৰীৰ বিৰুদ্ধে অভিযোগ কৰা দুৰ্নীতিৰ প্ৰমাণ কৰিবলৈ কোনো আইনী প্ৰমাণ নাই যে, তেওঁ জীপ ব্যৱহাৰ কৰাত নিৰ্ধাৰিত ব্যয়ৰ সীমা অতিক্ৰম কৰিছিল, যদিও তেওঁ ৰিলুবোৰ পৰা লৈছিল। ৫নং বিষয়টোও উচ্চ ন্যায়ালয়ে সঠিকভাৱে ৰায় দিছিল যে, প্ৰমাণিত হোৱা নাছিল। বিষয়টোৰ এই দৃষ্টিত, আপীলৰ অনুমতি দিয়া হয়। উচ্চ ন্যায়ালয়ে

আপীলকাৰীৰ নিৰ্বাচন বাতিল কৰি তেওঁক ক্ষমতাচ্যুত কৰাৰ নিৰ্দেশ ইয়াৰ দ্বাৰা বাতিল কৰা হয়। গোচৰটোৰ এই পৰিস্থিতিত, খৰচৰ সন্দৰ্ভত কোনো নিৰ্দেশ নাথাকিব।

পি. বি. আৰ.

আপীল অনুমোদিত।

---------------------------------------------

অনুবাদ: ড. অৰ্চ্চনা দেৱী, কনিষ্ঠবৰ্গ অনুবাদক

অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ’ব।”